# অসম বিধান সভা

## তৰাবিহীন প্ৰশ্ন নং-২০৭

## উত্তৰ দিয়াৰ তাৰিখ-১০/০৭/২৬

*বিষয়* : গৰাখহনীয়াত গৃহহীন হোৱা পৰিয়ালৰ সাহার্য্য আৰু পুনৰ সংস্থাপন

বিধায়ক: শ্ৰীমতী বেবী বেগম

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে:

(ক) বিগত দহটা বছৰত অসমৰ বিভিন্ন জিলাত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গৰাখহনীয়াই কৰা ক্ষতিগ্ৰস্ত ভূমি আৰু পৰিয়ালৰ সংখ্যা কিমান? বৰ্ষভিত্তিত আৰু জিলাভিত্তিত বিস্তৃত তালিকা দাখিল কৰিব।

(খ) উক্ত সময়ছোৱাত সৰ্বমুঠ কিমান ভূমি গৰাখহনীয়াৰ ফলত জাহ গৈছে? ইয়াৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালৰ মুঠ সংখ্যা কিমান? বৰ্ষ ভিত্তিত বিস্তৃত তালিকা দাখিল কৰিব।

(গ) উক্ত সময়ছোৱাত গৰাখহনীয়াত নিজৰ ভেটি-মাটিৰ পৰা উচ্ছেদিত মুঠ পৰিয়ালৰ সংখ্যা কিমান? উক্ত পৰিয়ালবোৰক কি ধৰণে সাহার্য্য আৰু পুনৰ সংস্থাপন দিয়া হৈছে? বৰ্ষভিত্তিত তথা জিলাভিত্তিক বিস্তৃত তালিকা দাখিল কৰিব।

(ঘ) গৰাখহনীয়াত গৃহহীন হোৱা পৰিয়ালবোৰৰ ভিতৰত কিমানজনক নিজৰ ভেটি-মাটিৰ পৰা উচ্ছেদিত হোৱাৰ প্ৰমাণ পত্ৰ দিয়া হৈছে? উচ্ছেদিত লোকৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? তথ্যসহ দিব।

উত্তৰঃ

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিবঃ

(ক) জিলা আয়ুক্তসকলৰ কাৰ্যালয়ৰ পৰা প্ৰাপ্ত প্ৰতিবেদন অনুসৰি বিগত দহটা বছৰত অসমৰ বিভিন্ন জিলাত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গৰাখহনীয়াই কৰা ক্ষতিগ্ৰস্ত ভূমিৰ পৰিমাণ প্ৰায় ২৩১১০০ বিঘা আৰু পৰিয়ালৰ সংখ্যা হ'ল ২৩,৩৬৯ । উপলব্ধ জিলা-ভিত্তিক তালিকা পৰিশিষ্ট "ক" সংলগ্ন কৰা হ'ল।

(খ) উক্ত সময়ছোৱাত প্ৰায় ২৩১১০০ বিঘা ভূমি গৰাখহনীয়াৰ ফলত জাহ গৈছে । ইয়াৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা হ'ল ২৩,৩৬৯ । উপলব্ধ জিলা-ভিত্তিক তালিকা পৰিশিষ্ট "ক" সংলগ্ন কৰা হ'ল।

(গ) জিলাসমূহৰ পৰা পোৱা তথ্য অনুসৰি উক্ত সময়ছোৱাত গৰাখহনীয়াত নিজৰ ভেটি-মাটিৰ পৰা উচ্ছেদিত পৰিয়ালৰ সংখ্যা হ'ল ১৭৭৩৪।

এনে ধৰণে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ পুনঃসংস্থাপন চৰকাৰে প্ৰচলিত নীতি আৰু নিৰ্দেশনা অনুসৰি, উপযুক্ত চৰকাৰী ভূমিৰ উপলব্ধতা আৰু নিৰ্ধাৰিত যোগ্যতাৰ মাপকাঠী পূৰণ কৰাৰ চৰ্তত গ্ৰহণ কৰে।

তদুপৰি খহনীয়াগ্ৰস্ত লোকসকলৰ পুনৰ্সংস্থাপনৰ সন্দৰ্ভত, ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ঘৰ-দুৱাৰৰ ক্ষয়-ক্ষতিৰ বাবদ SDRF-ৰ নিয়ম অনুসৰি পুনৰ্সংস্থাপন অনুদান (RG) প্ৰদান কৰা হয়, যাৰ বাবে তেওঁলোক ভূমি নীতি ২০১৯-ৰ ব্যৱস্থাৱলীৰ অধীনত আবণ্টন/বন্দোৱস্তীৰ যোগ্য হ’ব লাগিব।

(ঘ) গৰাখহনীয়াত গৃহহীন হোৱা পৰিয়ালবোৰক উচ্ছেদিত হোৱাৰ প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা নাই।

গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ পুনঃসংস্থাপন চৰকাৰে প্ৰচলিত নীতি আৰু নিৰ্দেশনা অনুসৰি, উপযুক্ত চৰকাৰী ভূমিৰ উপলব্ধতা আৰু নিৰ্ধাৰিত যোগ্যতাৰ মাপকাঠী পূৰণ কৰাৰ চৰ্তত গ্ৰহণ কৰে।

তদুপৰি খহনীয়াগ্ৰস্ত লোকসকলৰ পুনৰ্সংস্থাপনৰ সন্দৰ্ভত, ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ঘৰ-দুৱাৰৰ ক্ষয়-ক্ষতিৰ বাবদ SDRF-ৰ নিয়ম অনুসৰি পুনৰ্সংস্থাপন অনুদান (RG) প্ৰদান কৰা হয়, যাৰ বাবে তেওঁলোক ভূমি নীতি ২০১৯-ৰ ব্যৱস্থাৱলীৰ অধীনত আবণ্টন/বন্দোৱস্তীৰ যোগ্য হ’ব লাগিব।

* * *

বি: দ্ৰ: প্ৰশ্ন উত্তৰৰ প্ৰতিলিপি ৱেবছাইট যোগে প্ৰেৰণ/আপলোড কৰা হৈছে।

পৰিশিষ্ট- ক

| Sl No | District | Families | Land B | K | L | Hectares |
|---|---|---|---|---|---|---|
| 1 | Bajali | | | | | |
| 2 | Baksa | | | | | |
| 3 | Barpeta | 3291 | | | | 4459.1853 |
| 4 | Biswanath | 274 | 2425 | 3 | 7 | |
| 5 | Bongaigaon | 1436 | 8053 | 6 | 49 | |
| 6 | Cachar | | | | | |
| 7 | Charaideo | | 43 | 3 | 3 | |
| 8 | Chirang | 123 | 4924 | 18 | 86 | |
| 9 | Darrang | | 501 | 1 | 4 | |
| 10 | Dhemaji | 846 | | | | 847.83 |
| 11 | Dhubri | 5241 | 30042 | 2 | 7 | |
| 12 | Dibrugarh | 577 | 1769 | 4 | 14 | 23 |
| 13 | Dima-Hasao | | | | | |
| 14 | Goalpara | 897 | 33524 | 2 | 10 | |
| 15 | Golaghat | 298 | 654 | | | |
| 16 | Hailakandi | | | | | |
| 17 | Hojai | 59 | 328 | 7 | 7 | |
| 18 | Jorhat | 3 | 2324 | 15 | 34 | |
| 19 | Kamrup | | 15 | 1 | 10 | |
| 20 | Kamrup (M) | | | | | |
| 21 | Karbi Anglong | | | | | |
| 22 | Karbi Anglong West | | | | | |
| 23 | Karimganj | | | | | |
| 24 | Kokrajhar | | | | | |
| 25 | Lakhimpur | 464 | 3930 | 0 | 1 | |
| 26 | Majuli | 453 | 81 | 1 | 10 | |
| 27 | Morigaon | 3577 | | | | 2483.26 |
| 28 | Nagaon | 1605 | 6980 | | 16 | |
| 29 | Nalbari | | | | | 9146.36 |
| 30 | Sivasagar | 93 | 483 | 2 | 2 | |
| 31 | Sonitpur | 125 | 110 | 2 | 12 | 0.126506 |
| 32 | South Salmara | 3841 | 7548 | | | |
| 33 | Tamulpur | 17 | 39 | | 15 | |
| 34 | Tinsukia | 149 | 518 | 24 | 48 | |
| 35 | Udalguri | | | | | 13.77 |
| **TOTAL** | | **23369** | **104291** | **91** | **335** | **16973.53181** |

*** Total Land Loss (in Bigha)= 231104.2826 B**